## গুৱাহাটীত সাহিত্য অকাডেমী লেখিকা সমাৰোহ সমিতিৰ আলোচনা চক্ৰত অৰূপা পটংগীয়া কলিতা

# প্ৰত্যাহ্বান নেওচি লেখিকাই সৃষ্টি কৰিছে যুগজয়ী সাহিত্য

প্ৰতিদিন সংবাদ, গুৱাহাটী, ১৭ এপ্ৰিল ঃ ৰক্তাক্ত পৰিবেশৰ প্ৰত্যাহ্বান নেওচি অসমৰ লেখিকাই সৃষ্টি কৰিছে যুগজয়ী সাহিত্য। অসমৰ দৰে বিশ্বৰ বহু কম ভাষাৰ লেখিকাইহে ৰক্তাক্ত পৰিবেশৰ মুখামুখি হ'বলগীয়া হৈছে। কিন্তু প্ৰতিকূল পৰিস্থিতিক সমল হিচাপে লৈ সাহিত্য সৃষ্টিত মনোনিবেশ কৰি গৈছে অসমীয়া মহিলা লেখকে। 'অসমীয়া সাহিত্যৰ বিৱৰ্তনত মহিলা লেখকৰ অৱদান' সন্দৰ্ভত বক্তৃতা প্ৰদান কৰি আজি এই মন্তব্য কৰে সাহিত্য অকাডেমী বঁটাপ্ৰাপক বিশিষ্ট সাহিত্যিক অৰূপা পটংগীয়া কলিতাই। সাহিত্য অকাডেমী আৰু সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দ্বাৰা গুৱাহাটীত আয়োজন কৰা এখন আলোচনাচক্ৰত অংশ লৈ অসমীয়া সাহিত্যত মহিলা লেখকৰ অৱদানৰ তথ্যভিত্তিক বিশ্লেষণ আগবঢ়ায় বিশিষ্ট সাহিত্যিকগৰাকীয়ে। অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ জয়ন্ত কুমাৰ-লখিমী বৰুৱা সদনত অনুষ্ঠিত ■ ১২ পৃষ্ঠাত

# প্ৰত্যাহ্বান নেওচি লেখিকাই সৃষ্টি কৰিছে যুগজয়ী সাহিত্য

■ পঞ্চম পৃষ্ঠাৰ পৰা আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিৰ ভাষণ প্ৰদান কৰি অৰূপা পটংগীয়া কলিতাই কয় যে স্বাধীনতা সংগ্ৰামৰ পৰা অসম আন্দোলন, আলফাৰ সশস্ত্ৰ বিপ্লৱৰ মাজেৰে আগুৱাই আজিৰ পৰ্যায় পাইছে অসমৰ মহিলা লেখকে। সমাজ-বাস্তৱ পৰিস্থিতিত বিপ্লৱ-সংগ্ৰাম যিয়েই নহওক, সকলোতে ভুক্তভোগী হৈ আহিছে মহিলাসকল। কেৱল প্ৰাণ বিসৰ্জন দিয়াই নহয়, নানা নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে অসমৰ মহিলাসকলে। কিন্তু এই প্ৰতিকূল পৰিস্থিতিৰ মাজৰ পৰা সমল বিচাৰি মহিলা লেখকসকলে অসমীয়া সাহিত্যৰ বৰভঁৰাল চহকী কৰি গৈছে। যোল্লশ শতিকাৰ পদ্মপ্ৰিয়া আইৰ পৰা সাম্প্ৰতিক কালৰ মহিলা লেখকসকলে অসমীয়া সাহিত্যৰ বিৱৰ্তনত কিদৰে অৱদান আগবঢ়াইছে, তাক ফঁহিয়াই আলোচনা কৰে। মৌখিক সাহিত্য, আইনাম, বিয়ানাম, লখিমী সবাহৰ নাম, সুবচনীৰ নাম আদি অসমীয়া নাৰীৰে সৃষ্টি বুলি উল্লেখ কৰি অৰূপা পটংগীয়া কলিতাই কয় যে অসমীয়া সাহিত্যত মহিলা লেখিকাই প্ৰতিটো বিষয়তে অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। বিশিষ্ট সাহিত্যিকগৰাকীৰ ভাষাত— 'অসমীয়া সাহিত্যৰ প্ৰায় প্ৰতিটো ক্ষেত্ৰতে তাহানিৰ পৰা আজিলৈকে মহিলা লেখকে দপদপাই থাকিবলৈ সক্ষম হৈছে। পদ্মপ্ৰিয়া আইৰ পৰা চন্দ্ৰপ্ৰভা শইকীয়ানী, নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, অনুৰাধা শৰ্মা পূজাৰী তথা নতুন প্ৰজন্মৰ লেখিকাসকলে গল্প, উপন্যাস, ভ্ৰমণ কাহিনী, কবিতাকে ধৰি প্ৰায় প্ৰতিটো ক্ষেত্ৰতে আগবাঢ়ি গৈছে। অসমীয়া সাহিত্য ক্ষেত্ৰত অসমীয়া নাৰীয়ে অব্যাহত ৰাখিছে জয়যাত্ৰা।' অৱশ্যে ভিন্ন সময়ত অসমীয়া নাৰীক শিকলিৰে বান্ধি ৰখাৰ চেষ্টা চলিছে বুলি উল্লেখ কৰি অৰূপা পটংগীয়া কলিতাই কয় যে সকলো বাধা, প্ৰত্যাহ্বান, সমাজে বান্ধি দিয়া শিকলি ছিঙি অসমীয়া নাৰীয়ে সাহিত্য ক্ষেত্ৰত আগুৱাই গৈছে। সকলো প্ৰত্যাহ্বানৰ সৈতে মুখামুখি হৈছে। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক অৱস্থাই অসমীয়া নাৰীক প্ৰভাৱিত কৰিছে যদিও সমাজৰ পৰাই সমল বুটলি আগুৱাই গৈছে অসমীয়া মহিলা লেখক। পৰিস্থিতি এনে পৰ্যায় পাইছে যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মহিলা লেখকৰ কথা ওলালেই বাহিৰৰ সাহিত্যিকে মুখ দোঁৱাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। অৱশ্যে দেশৰ সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত ঘটি থকা ঘটনাৰাজিক লৈ অসন্তুষ্টি ব্যক্ত কৰে অৰূপা পটংগীয়া কলিতাই। বিশেষকৈ হিন্দু ৰাষ্ট্ৰৰ নামত ভাৰতৰ নাৰীক অধিক সন্তান জন্ম দিব লাগে বুলি দেশৰ এচাম ৰাজনীতিকে আহ্বান জনাই অহা কাৰ্যক বিশিষ্ট সাহিত্যিকগৰাকীয়ে হিটলাৰৰ শাসনৰ লগত তুলনা কৰে। সাহিত্য অকাডেমীৰ কলকাতাৰ আঞ্চলিক সচিব দেৱেন্দ্ৰ কুমাৰ দেৱেশে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথে। উদ্বোধনী অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা ড° থুনু কলিতাই। আলোচনাচক্ৰৰ প্ৰথম অধিৱেশনত সভাপতিত্ব কৰে ড° লুটফা হানুম চেলিমা বেগমে। 'সামাজিক পৰম্পৰা আৰু প্ৰত্যাহ্বান : মহিলা লেখকৰ নিৰ্বাচিত অসমীয়া গল্প' শীৰ্ষক বিষয়ত আলোচনা আগবঢ়ায় ড° অনুৰাধা শৰ্মাই। একেদৰে অসমীয়া কাব্য সাহিত্যলৈ মহিলা লেখকৰ অৱদান (১৯৩৮-২০০০) বিষয়ত ড° জ্যোতিৰেখা হাজৰিকাই আলোচনা আগবঢ়োৱাৰ বিপৰীতে 'অসমীয়া গীতি-সাহিত্যত জনজীৱনৰ প্ৰতিফলন : এটি অৱলোকন' বিষয়ত আলোচনা আগবঢ়ায় ড° শুভ্ৰ দেৱীয়ে। দ্বিতীয় অধিৱেশনত সভাপতিত্ব কৰে ড° চাৰু চহৰীয়া নাথে। 'সামাজিক পৰিপ্ৰেক্ষিতত অসমৰ মহিলা লেখক' বিষয়ত ড° জয়শ্ৰী বৰা, 'পুৰণি অসমৰ মহিলা লেখক' বিষয়ত ড° কবিতা চৌধুৰী আৰু 'মামণি ৰয়ছম গোস্বামী আৰু তেওঁৰ উপন্যাস' বিষয়ত আলোচনা আগবঢ়ায় ড° পূৰবী দুৱৰাই। সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে। সামৰণী ভাষণ প্ৰদান কৰে ড° লীনা ডেকাই।